**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-07-2025
**Time:** 07-10 Hrs

## *Assamese EVENING Bulletin*
## *Headlines*

১।  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী  আজি নামিবিয়াৰ ৰাজধানী উইণ্ডহোকত দেশখনৰ ৰাষ্ট্ৰপতি ড০ নেটুম্বো নান্দি ন্‌ডেটৱাকৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়।

২।  গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে বডোডৰা জিলাৰ গম্ভীৰাৰ সমীপত দলং খহি পৰি ৯জন লোকৰ মৃত্যু হোৱাৰ ঘটনাৰ তদন্তৰ নিৰ্দেশ দিছে।

৩।  শ্ৰমিক আৰু কৃষক বিৰোধী নীতি গ্ৰহণৰ অভিযোগ কৰি দেশৰ ১০টা শ্ৰমিক সংগঠনৰ উমৈহতীয়া মঞ্চই আজি আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰভাৱ দেশৰ বিভিন্ন প্ৰান্তত পৰিলক্ষিত হয়।

৪।  ৰাজস্থানৰ চুৰু জিলাৰ সমীপত আজি বায়ুসেনাৰ এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ দুগৰাকী পাইলটৰ মৃত্যু হয়। *আৰু*

৫। উইম্বলডন টেনিছ প্ৰতিযোগিতাত আজি সন্ধিয়া লণ্ডনৰ অল ইংলেণ্ড ক্লাবত কেইবাখনো কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী  আজি নামিবিয়াৰ ৰাজধানী ৱিণ্ড্‌হোকত দেশখনৰ ৰাষ্ট্ৰপতি ড০ নেটুম্বো নান্দি উইণ্ডহোকৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়। বৈঠকত বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত নতুন নতুন ক্ষেত্ৰৰ সহযোগিতাৰ অন্বেষণৰ জৰিয়তে দুয়োখন দেশৰ মাজত অৰ্থনৈতিক অংশীদাৰীত্ব সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনাৰ অন্তত স্বাস্থ্য সেৱা আৰু ঔষধ, গোলকীয় জৈৱ ইন্ধন, আন্তঃগাঁঠনি পৰিকাথামো আৰু উদ্যোগী খণ্ডত সহযোগিতাৰ সম্প্ৰসাৰণৰ লক্ষ্যৰে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰা হয়।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণ কালত দেশখনৰ প্ৰতিষ্ঠাপক তথা প্ৰথম ৰাষ্ট্ৰপতি প্ৰয়াত ড০ ছেম নুজোমালৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব। শ্ৰীমোদীক দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ়কৰণৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে নামিবিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান কৰা হ'ব। তদুপৰি ভাৰত আৰু নামিবিয়াৰ মাজৰ সম্পৰ্কৰ এটা উল্লেখনীয় মূহুত্ব হিচাপে শ্ৰীমোদীয়ে দেশখনৰ সংসদত ভাষণ দিব। এয়া হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰথমখন দক্ষিণ আফ্ৰিকীয় দেশ ভ্ৰমণ। ইয়াৰ পূৰ্বে শ্ৰীমোদী আজি পুৱা তেওঁৰ ৫খন দেশ ভ্ৰমণসূচীৰ চূড়ান্ত পৰ্যায়ত উইণ্ডহোকত  উপস্থিত হয়। বিমান বন্দৰত তেওঁক দেশখনৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু বাণিজ্য দপ্তৰৰ মন্ত্ৰী ছেলমা আশ্বিপালা - মুছাৱিয়ে আদৰণি জনায়। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে আয়োজন কৰা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত তেওঁক পৰম্পৰাগত গৰ্বা নৃত্যৰে আদৰণি জনোৱা হয় আৰু যোগাভ্যাস প্ৰদৰ্শন কৰা হয়।

০০০০০০

গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে বডোডৰা জিলাৰ গম্ভীৰাৰ সমীপত আজি পুৰা এখন দলং খহি পৰি ৯জন লোকৰ মৃত্যু হোৱাৰ ঘটনাৰ তদন্তৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত গান্ধী নগৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি এই বিষয়টো আলাচনা কৰা হয়। শ্ৰী পেটেলে দলং খন খহি পৰাৰ সন্দৰ্ভত প্ৰাৰম্ভিক তথ্য দাখিল কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে। মন্ত্ৰীসভাৰ বৈঠকৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে পথ আৰু ভৱন বিভাগৰ বিষয়াসকলৰ সৈতেও এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ আন আন জৰাজীৰ্ণ দলংসমূহৰ তথ্যও পৰ্যালোচনা কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে বডোডৰা জিলাৰ পাড্ৰাৰ সমীপৰ গম্ভীৰা দলঙৰ এটা অংশ আজি পুৰা খহি পৰাত ৯ জন লোকৰ মৃত্যু হোৱাৰ লগতে অন্য কেইবাজনো আহত হয়। এই দুৰ্ঘটনাত পাঁচখন বাহন মহীসাগৰ নদীত পৰি যায়। বডোডৰা জিলা প্ৰশাসনকে ধৰি স্থানীয় কৰ্তৃপক্ষই ততালিকে উদ্ধাৰ অভিযান আৰম্ভ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে এটা বাৰ্তাযোগে এই ঘটনাত নিহত লোকসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰিছে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। তেওঁ লগতে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা নিহত লোকসকলৰ নিকটাত্মীয়লৈ ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

0000000

কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ শ্ৰমিক আৰু কৃষক বিৰোধী নীতি গ্ৰহণ কৰা বুলি অভিযোগ কৰি দেশৰ ১০টা শ্ৰমিক সংগঠনৰ উমৈহতীয়া মঞ্চই আজি আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰভাৱ দেশৰ বিভিন্ন প্ৰান্তত পৰিলক্ষিত হয়। উদ্যোগ প্ৰতিষ্ঠান, বেংক, বীমা সংস্থাৰ লগতে ৰাজহুৱা পৰিবহন ব্যৱস্থা এই বন্ধৰ ফলত দেশৰ বিভিন্ন ঠাইত প্ৰভাৱিত হয়। অসমতো আজি এই ধৰ্মঘটৰ ফলত গুৱাহাটী শোধনাগাৰ, ইণ্ডিয়া কাৰ্বন প্ৰাইভেট লিমিটেড, আছাম কাৰ্বন প্ৰাইভেট লিমিটেড, দুলীয়াজানৰ অইল ইণ্ডিয়াৰ অধীনস্থ তৈল প্ৰতিষ্ঠানসমূহ, নাজিৰাৰ তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ মুখ্য কাৰ্যালয়কে ধৰি বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানৰ কাম-কাজ ব্যাহত হয়। গুৱাহাটী মহানগৰীত আজি ব্যক্তিগত খণ্ডৰ চিটী বাছ আৰু দূৰণিবটীয়া বাছৰ চলাচল বন্ধ আছে। ধৰ্মঘটৰ অন্যতম অংশীদাৰ অল ইণ্ডিয়া চেণ্ট্ৰেল কাউন্সিল অব ইউনিয়নছ আৰু ইউনাইটেড ৱৰ্কমেন ইউনিয়ন, ইণ্ডিয়া কাৰ্বন এমপ্লইজ এণ্ড লেবাৰ ইউনিয়নকে ধৰি কেইবাটাও শ্ৰমিক সংগঠনে আজি এই বন্ধৰ আহ্বান দিছিল।

00000

আৰ জে ডি আৰু কংগ্ৰেছৰ নেতৃত্বত বিৰোধী মহাজোঁটবন্ধনে আহ্বান জনোৱা বিহাৰ বন্ধৰ মিশ্ৰিত প্ৰভাৱ আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত পৰিলক্ষিত হয়। বন্ধৰ সময়ছোৱাত প্ৰতিবাদকাৰীসকলে ৰাজ্যখনৰ বিভিন্ন অংশত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথত যান-বাহনৰ চলাচলত বাধা দিয়ে। প্ৰতিবাদকাৰীসকলে মধুবনী, দৰভাংগা, জেহানাবাদ, আৰৱালকে ধৰি কেইবাটাও ৰে'ল ষ্টেচনত ৰে'ল চলাচলতো বাধা প্ৰদান কৰে। ৰাজ্যখনত চলি থকা ভোটাৰ তালিকাৰ বিশেষ ব্যাপক সংশোধনৰ বিৰুদ্ধে মহাজোঁটবন্ধনে এই বন্ধৰ আহ্বান জনাইছিল। লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱ, চি পি আইৰ সাধাৰণ সচিব ডি. ৰাজা, চি পি আই-এম এলৰ সাধাৰণ সচিব দিপাংকৰ ভট্টাচাৰ্যই পাটনাত বন্ধ সমৰ্থসকলক নেতৃত্ব দিয়ে।

ইপিনে ভাৰতীয় জনতা পাৰ্টীয়ে সাংবিধানিক সংস্থাসমূহক মহাজোঁটবন্ধনে অৱমূল্যায়ণৰ প্ৰচেষ্টা চলাইছে বুলি অভিযোগ কৰিছে। বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি তথা লোকসভাৰ দলৰ মুখ্য হুইপ ড০ সঞ্জয় জয়ছোৱালে, আৰ জে ডিয়ে উচ্চতম ন্যায়ালয়ত বিশেষ ব্যাপক সংশোধনৰ প্ৰত্যাহ্বান জনোৱাক লৈ এই বন্ধৰ আঁৰৰ উদ্দেশ্য সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে।

০০০০০

বিজেপিৰ সাংসদ ৰবি শংকৰ প্ৰসাদে আজি ভোটাৰ তালিকাৰ বিশেষ ব্যাপক সংশোধনৰ বিৰুদ্ধে বিহাৰ বন্ধৰ আহ্বান জনোৱাক লৈ বিৰোধী পক্ষক কঠোৰ ভাষাৰে সমালোচনা কৰে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী প্ৰসাদে আৰ জে ডি-কংগ্ৰেছ নেতৃত্বাধীন মহামিত্ৰজোঁটে ৰাজ্যখনৰ নিৰ্বাচন আয়োগৰ বিশেষ ব্যাপক সংশোধনক লৈ ৰাজনীতি কৰিছে বুলি অভিযোগ কৰে। এই বিষয়টো উচ্চতম ন্যায়ালয়ৰ অধীনত থকাৰ পাছত বিৰোধী পক্ষই বিহাৰ বন্ধৰ আহ্বান জনোৱাৰ উদ্দেশ্য সন্দৰ্ভতো সাংসদগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয় যে ৰাজ্যখনত মুঠ ৭ কোটি ৯ লাখ ভোটদাতা আছে আৰু ইয়াৰে ৪ কোটি ভোটদাতাই গণনাৰ তালিকাত অন্তৰ্ভুক্তিৰ আবেদন দাখিল কৰিছে। ২০০৩ চনৰ ভোটাৰ তালিকাত নাম থকা ভোটদাতাকলে তেওঁলোকৰ তথ্য দাখিল কৰাৰ প্ৰয়োজন নাই বুলিও শ্ৰী প্ৰসাদে উল্লেখ কৰে।

০০০০০

ৰাজস্থানৰ চুৰু জিলাৰ সমীপৰ ৰাজলদেছাৰ আৰক্ষী চকীৰ এলেকাত আজি বায়ুসেনাৰ এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হয়। নিয়মীয়া প্ৰশিক্ষণ অভিযানৰ সময়তে এই বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। চুৰুৰ আৰক্ষী অধীক্ষক জয় যাদৱে আকাশবাণীৰ সংবাদদাতাক জনোৱা মতে দুৰ্ঘটনা সংঘটিত স্থানৰ পৰা দুটা অগ্নিদগ্ধ মৃতদেহ উদ্ধাৰ কৰা হয়। এই ঘটনাত কোনো অসামৰিক লোক হতাহত হোৱা নাই বুলি তেওঁ লগতে প্ৰকাশ কৰে।

ইপিনে বায়ুসেনাৰ এই জেগুৱাৰ প্ৰশিক্ষক বিমান খনৰ দুৰ্ঘটনাৰ তদন্তৰ বাবে এটা তদন্তকাৰী দল গঠন কৰা হৈছে। বায়ুসেনাই এই বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা পাইলট দুগৰাকীৰ বাবে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ উপলক্ষে গুজৰাট, মধ্যপ্ৰদেশ আৰু ৰাজস্থানৰ সমবায়সমূহৰ সৈতে জড়িত মহিলা আৰু অন্যান্য কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে কচ্ছ জিলাৰ মলধাৰি সমবায় সমাজৰ উট পালনৰ সৈতে জড়িত মহিলাসকলৰ সৈতেও মত বিনিময় কৰে। শ্ৰীশ্বাহে উটৰ গাখীৰৰ ঔষধী গুণৰ পৰীক্ষণৰ বাবে চাৰিটাকৈ আয়ুৰ্বেদিক কোম্পানীয়ে কাম কৰি আছে বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে সমগ্ৰ দেশৰে উটপালক সকলৰ পৰা গাখীৰ সংগ্ৰহ কৰিবলৈ গুজৰাট আৰু ৰাজস্থান চৰকাৰে যুটীয়াভাৱে এখন আঁচনি প্ৰস্তুত কৰিছে।

০০০০০

খেল' ভাৰত নীতি ২০২৫ ৰ অধীনত ক্ৰীড়া প্ৰতিভা বিচাৰি উলিওৱাৰ লগতে খেলুৱৈসকলক বিশ্ব মানৰ প্ৰশিক্ষণ প্ৰদান কৰিব পৰাকৈ চৰকাৰে এটা পৰিস্থিতিতন্ত্ৰ গঢ়ি তুলিছে। উত্তৰ প্ৰদেশৰ মোদী নগৰত মল্ল যুঁজ ৰাৱিয়ৰ্ছ একাডেমী পৰিদৰ্শন কৰি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰক্ষা খাড়ছেই আজি এি কথা প্ৰকাশ কৰে। যুৱ এথলিট আৰু প্ৰশিক্ষকসকলক উদ্দেশি দিয়া ভাষণত শ্ৰী খাড়ছেই কয় যে দেশৰ চুকে-কোণে

থকা প্ৰতিভাসম্পন্ন খেলুৱৈসকলক বিচাৰি উলিয়াই তেওঁলোকৰ আকাংশাসমূহ পূৰণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০